**NSD NEWS BULLETIN**
**AKASHVANI, GUWAHATI**
**0000000000**

**Date :** 26-07-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

**:::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালদ্বীপৰ ৬০ সংখ্যক স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে।

২। মালদ্বীপ ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব।

৩। ১৯৯৯চনৰ কাৰ্গি যুদ্ধৰ স্মৰণত আজি দেশজুৰি কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হৈছে।

৪। কম্বোদিয়াৰ অসামৰিক বিমান পৰিবহন সচিবালয়ে আজি থাইলেণ্ডৰ সৈতে চলি থকা যুদ্ধক্ষেত্ৰৰ আকাশত সকলো ধৰণৰ অসামৰিক বিমান পৰিবহনত নিষেধাজ্ঞা আৰোপ কৰিছে।

*আৰু*

৫। এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে ৬৬৯ ৰানত প্ৰথম ইনিংছ সামৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মালদ্বীপৰ ৬০ সংখ্যক স্বাধীনতা দিৱস উদযাপন অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। দেশখনৰ ৰাজধানী মলত আয়োজন কৰা স্বাধীনতা দিৱস অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশখনৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুজোক দেশখনৰ সামৰিক বাহিনীয়ে ২১ জাই গুলী ফুটোৱাৰ লগতে গাৰ্ড অব অ'নাৰ সন্মান প্ৰদৰ্শন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত মালদ্বীপৰ মিলিটাৰী বাহিনীয়ে অংশ লোৱা আকৰ্ষণীয় পেৰেডত দেশখনৰ সেনাবাহিনীৰ একতা, অনুশাসন আৰু শক্তি প্ৰতিফলিত হৈছে। স্বাধীনতা দিৱস অনুষ্ঠানৰ কাৰ্যসূচী সমূহে দেশখনৰ চহকী সাংস্কৃতিক ঐতিহ্যৰ লগতে যোৱা ছটা দশকৰ মালদ্বীপৰ সোণালী যাত্ৰা ফুটাই তুলিছে। প্ৰধানমন্ত্ৰী মোদীয়ে অনুষ্ঠানৰ শেষত উপস্থিত অতিথিসকলৰ উদ্দেশ্যি ভাষণ প্ৰদান কৰে। উল্লেখযোগ্য যে, স্বাধীনতা দিৱসৰ কাৰ্যসূচীৰ পিছতেই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ দুদিনীয়া মালদ্বীপ ভ্ৰমণ সামৰি ভাৰতলৈ উৰা মাৰিছে।

ইয়াৰ পূৰ্বে মালদ্বীপৰ উপৰাষ্ট্ৰপতি হুছেইন মহম্মদ লতিফৰ সৈতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি এখন বৈঠকত মিলিত হয়। এই বৈঠকত বিদেশ পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা অজিত দোহাল, বিদেশ সচিব বিক্ৰম মিশ্ৰিকে ধৰি দুয়োখন ৰাষ্ট্ৰৰ জ্যেষ্ঠ বিষয়াবৰ্গ উপস্থিত আছিল। প্ৰধানমন্ত্ৰীয়ে মালদ্বীপৰ অন্যান্য নেতাসকলকো সাক্ষাৎ কৰে।

দেশখনৰ উপৰাষ্ট্ৰপতি লতিফৰ সৈতে হোৱা বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে ভাৰত মালদ্বীপ বন্ধুত্বৰ মুখ্য বিষয়সমূহৰ আলোচনা কৰাৰ লগতে আন্তঃগাথনি, প্ৰযুক্তি, জলবায়ু পৰিবৰ্তন, শক্তি আদি বিভিন্ন বিষয়ত আলোকপাত কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দুয়োখন দেশৰ ঘনিষ্ঠ সহযোগিতাই দেশ দুখনৰ জনসাধাৰণক লাভান্বিত কৰিব আৰু অনাগত দিনত দেশ দুখনে বন্ধুত্বৰ সম্পৰ্ক অধিক দৃঢ় কৰি তোলাত গুৰুত্ব দিব।

প্ৰধানমন্ত্ৰীয়ে মালদ্বীপৰ সংসদ **মজলিছ**ৰ অধ্যক্ষ আব্দুল ৰহিম আব্দুল্লাকো সাক্ষাৎ কৰে। এই বৈথকত ভাৰত-মালদ্বীপ সম্পৰ্কক লৈ আলোচনা হয়। প্ৰধানমন্ত্ৰীয়ে মালদ্বীপৰ ৰাষ্ট্ৰপতি মহম্মদ নাছিদকো সাক্ষাৎ কৰে। তেওঁলোকে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতিৰ অধীনত মালদ্বীপৰ গুৰুত্ব সন্দৰ্ভত আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে মালদ্বীপৰ যোগ্যতা নিৰ্মাণ আৰু উন্নয়নত ভাৰতে সহযোগিতা আগবঢ়াই যাব বুলি প্ৰতিশ্ৰুতি দিয়ে।

শ্ৰী মোদীয়ে লগতে মালদ্বীপৰ বহুকেইটা ৰাজনৈতিক দলৰ সদস্যৰ সৈতেও বৈঠকত মিলিত হয়। ৰাজনৈতিক ক্ষেত্ৰৰ এই নেতাসকলৰ অংশগ্ৰহণে দেশ দুখনৰ মাজৰ দ্বিপাক্ষীক বন্ধুত্ব সম্পৰ্কক আৰু শক্তাশালী কৰি তুলিব বুলি তেওঁ মন্তব্য কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি দুদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুলৈ যাব। ব্ৰিটেইন আৰু মালদ্বীপৰ ভ্ৰমণ সামৰি শ্ৰীমোদী পোনে পোনে তামিলনাডুৰ তুতিকুৰিণত উপস্থিত হ'ব। তুতিকুৰিণত আজি নিশা তেওঁ ৪ হাজাৰ ৮০০ কোটিৰো অধিক টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰাৰ লগতে তেওঁ তুতিকুৰিণ বিমান বন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰীয়ে কাইলৈ গংগাইকোণ্ডা চোলপুৰমত আদি থিৰুভাথাইৰায় উৎসৱত অংশগ্ৰহণ কৰিব। এই উৎসৱ তামিলনাডুৰ আৰিয়ালুৰ জিলাৰ গংগাইকোণ্ডা চোলপুৰমত চোল বংশৰ ৰজা প্ৰথম ৰাজেন্দ্ৰ চোলৰ স্মৰণত সংস্কৃতিক মন্ত্ৰালয়ৰ উদ্যোগত উদ্‌যাপন কৰা হৈছে। কাইলৈ এই উৎসৱত প্ৰধানমন্ত্ৰীৰ লগতে তামিলনাডুৰ ৰাজ্যপাল আৰ এন ৰবি, কেন্দ্ৰীয় সংস্কৃতি আৰু পৰ্যটন মন্ত্ৰী গজেন্দ্ৰ সিং শ্বেখাৱট আৰু কেন্দ্ৰীয় তথ্য সম্প্ৰচাৰ আৰু সংসদীয় পৰিক্ৰমা ৰাজ্যমন্ত্ৰী ড০ এল মুৰুগান উপস্থিত থাকিব।

০০০০০

**১৯৯৯ চনৰ কাৰ্গিল যুদ্ধৰ সময়ত দেশৰ হকে প্ৰাণ আহুতি দিয়া ভাৰতীয় জোৱানসকলৰ বীৰত্বৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশত আজি কাৰ্গিল বিজয় দিৱস উদযাপন কৰা হৈছে। এইবেলি কাৰ্গিল যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয় লাভ আৰু অপাৰেচন বিজয়ৰ সফল পৰিসমাপ্তিৰ ২৬ বছৰ সম্পূৰ্ণ হৈছে।**

**এই উপলক্ষে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশৰ বাবে প্ৰাণ আহুতি দিয়া বীৰ জোৱান সকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। কাৰ্গিল বিজয় দিৱস উপলক্ষে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ, প্ৰতিৰক্ষা সচিব ৰাজেশ কুমাৰ সিং, চীফ অৱ ডিফেন্স ষ্টাফ জেনেৰেল অনিল চৌহান, স্থল সেনাধক্ষ্য জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাৰ মুৰব্বী এয়াৰ চীফ মাৰ্শ্বাল এ**

পি সিং, আৰু নৌসেনাৰ মুৰব্বী এডমিৰেল দিনেশ কে ত্ৰিপাঠীয়েও সিঙে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত  বীৰ জোৱানসকললৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে।

কাৰ্গিল বিজয় দিৱসৰ লগত সংগতি ৰাখি লাডাখৰ ড্ৰাছৰ কাৰ্গিল যুদ্ধ স্মৃতিসৌধত আজি গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানৰ আয়োজন কৰা হয়। অনুষ্ঠানত কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডঃ মানসুখ মন্দাভিয়া, প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় সেঠ, লাডাখৰ উপ ৰাজ্যপাল কবিন্দ্ৰ গুপ্তা, স্থল সেনা বাহিনীৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, আৰু জ্যেষ্ঠ সামৰিক আৰু অসামৰিক বিষয়াসকলে  কাৰ্গিল যুদ্ধৰ নায়কসকললৈ শ্ৰদ্ধা নিবেদন কৰে।

00000

অপাৰেচন সিন্দুৰৰ সময়ত  সশস্ত্ৰ বাহিনীয়ে কাৰ্গিলৰ দৰে অনুৰূপ সাহস দেখুৱাই পাকিস্তানৰ সন্ত্ৰাসবাদী আন্তঃগাঁথনি ধ্বংস কৰি নিৰ্ণায়ক জয় লাভ কৰা বুলি স্থল সেনাৰ মুৰব্বী জেনেৰেল উপেন্দ্ৰ দ্বিবেদীয়ে মন্তব্য কৰিছে। ২৬ সংখ্যক কাৰ্গিল বিজয় দিৱস উপলক্ষে আজি লাডাখৰ ড্ৰাছৰ কাৰ্গিল যুদ্ধ স্মাৰকত বীৰ জোৱানসকললৈ শ্ৰদ্ধা নিবেদন কৰাৰ পিছত অপাৰেচন সিন্দুৰৰ বিষয়ে আলোকপাত কৰি জেনেৰেল  দ্বিবেদীয়ে  এই দৰে প্ৰকাশ কৰে । তেওঁ কয় যে অপাৰেচন সিন্দুৰৰ সময়ত ভাৰতৰ সেনাবাহিনীয়ে শত্ৰুৰ আগ্ৰাসনৰ প্ৰত্যুত্তৰত সন্ত্ৰাসবাদী আন্তঃগাঁথনিত নিৰ্ণায়ক আঘাত হানে।  দেশৰ শক্তিশালী বায়ু প্ৰতিৰক্ষা ব্যৱস্থাক প্ৰশংসা কৰি জেনেৰেল  দ্বিবেদীয়ে ইয়াক ড্ৰোন আৰু ক্ষেপনাস্ত্ৰ ভাবুকিৰ বিৰুদ্ধে শক্তিশালী ঢাল বুলি অভিহিত কৰে। তেওঁ কয় যে দেশৰ সাৰ্বভৌমত্বৰ প্ৰতি অহা যিকোনো ভাবুকিৰ যোগ্য উত্তৰ দিয়া হ'ব আৰু এয়াই ভাৰতৰ নতুন নীতি। তেওঁ সীমান্তত যান্ত্ৰিক পদাতিক বাহিনী,  বৰ্মসজ্জিত হিলৈদাৰী গোট আৰু বিশেষ বাহিনীৰে  নতুন ব্ৰিগেড গঠনৰ ঘোষণা কৰে। জনসম্পৰ্কৰক্ষী প্ৰচেষ্টাৰ  অংশ হিচাপে সেনা প্ৰধান গৰাকীয়ে  কাৰ্গিল যুদ্ধৰ কাহিনীনৰ QR ক'ড ভিত্তিক এটা এপ মুকলি কৰে আৰু বাটালিকত সিন্ধু ভিউ পইণ্ট উদ্বোধন কৰে। জেনেৰেল দ্বিবেদীয়ে ২০৪৭ চনৰ ভিতৰত ভাৰতক উন্নত ৰাষ্ট্ৰ ৰূপে গঢ়ি তোলাৰ দৃষ্টিভংগী অনুযায়ী দুৰ্গম সীমান্ত অঞ্চলৰ  নিৰাপত্তা আৰু উন্নয়নৰ প্ৰতি সেনাৰ দায়বদ্ধতাৰ বিষয়ে দোহাৰে ।

তেওঁ **১৯৯৯** চনত অপাৰেচন বিজয়ত পাকিস্তানী বাহিনীৰ পৰা  উচ্চতাত অৱস্থিত চকীসমূহ পুনৰ দখল কৰা জোৱানসকলৰ বীৰত্বৰ কথা মনত পেলাই দেশৰ শান্তিৰ বাবে চূড়ান্ত

বলিদান দিয়া শ্বহীদসকলক প্ৰণাম জনায়। কাৰ্গিল বীৰসকলৰ পিতৃ-মাতৃৰ উপস্থিতি স্বীকাৰ কৰি তেওঁ কয় যে তেওঁলোকৰ সাহস, ধৈৰ্য্য, আৰু ত্যাগে জাতিটোক অনুপ্ৰাণিত কৰি আহিছে। কৰ্তব্যৰত অৱস্থাত প্ৰাণ আহুতি দিয়া যোদ্ধাসকলৰ পৰিয়ালক সমগ্ৰ দেশে প্ৰণাম জনাইছে।

ooooo

ভাৰতীয় জনতাপাৰ্টীৰ দিল্লীস্থিত মুখ্য কাৰ্যালয়ত আজি ভাৰতীয় সেনাৰ মহান ত্যাগক সোঁৱৰি কাৰ্গিল বিজয় দিৱস সমাৰোহৰ আয়োজন কৰা হয়। অনুষ্ঠানত দলৰ সভাপতি জে পি নাড্ডা, প্ৰতিৰক্ষা বিভাগৰ ৰাজ্য মন্ত্ৰী সঞ্জয় ছেথৰ লগতে দলৰ কেইবাজনো জ্যেষ্ঠ বিষয়ববীয়া উপস্থিত থাকে। জে পি নাড্ডাই অনুষ্ঠানত ভাষণ দি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সমগ্ৰ বিশ্বই ভাৰতৰ শক্তিৰ কথা জানিব পাৰিছে। তেওঁ লগতে কয়, যে এটা সময় আছিল যেতিয়া সেনাবাহিনীৰ বুলেট প্ৰুফ জেকেট নাছিল। কিন্তু এতিয়া ভাৰতত বুলেট প্ৰুফ জেকেটৰ নিৰ্মাণ হোৱাৰ লগতে সমগ্ৰ বিশ্বলৈও ইয়াৰ ৰপ্তানি কৰা হয়। নতুন ভাৰতবৰ্ষই বিশ্বৰ ৯২ খন দেশলৈ অস্ত্ৰ-শস্ত্ৰৰ লগতে বিভিন্ন যুদ্ধ সামগ্ৰীৰ ৰপ্তানি কৰে বুলি শ্ৰী নাড্ডাই উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ  মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৪ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR  ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

কম্বোদিয়াৰ অসামৰিক বিমান পৰিবহন সচিবালয়ে আজি থাইলেণ্ডৰ সৈতে চলি থকা যুদ্ধক্ষেত্ৰৰ আকাশত সকলো ধৰণৰ অসামৰিক বিমান পৰিবহনত নিষেধাজ্ঞা আৰোপ কৰিছে। সচিবালয়ৰ ৰাজ্যিক সচিব ছিন্ চানছেৰে ভুথাই কয়, যে দেশখনৰ সকলো বিমানক সংঘাটপূৰ্ণ অঞ্চলৰ ওপৰেৰে যাতায়াত নকৰিবলৈ আহ্বান জনোৱা হৈছে আৰু এই নিষেধাজ্ঞাৰ পৰিসৰ দেশখনৰ প'পেট চহৰ, পাইলিন প্ৰদেশ আৰু ছিয়েম ৰীপ প্ৰদেশৰ কিছু অংশলৈ সম্প্ৰসাৰিত কৰা হৈছে। উল্লেখযোগ্য যে থাইলেণ্ড আৰু কম্বোদিয়াৰ সীমান্তৰ কেইবাটাও অঞ্চলত এতিয়াও সংঘৰ্ষ অব্যাহত আছে। থাইলেণ্ডৰ স্বাস্থ্য বিভাগৰ মুখপাত্ৰই জনোৱা অনুসৰি বৃহস্পতিবাৰে  দুয়োখন দেশৰ সীমান্তত হোৱা সংঘৰ্ষত ১৪ জন থাই নাগৰিকৰ মৃত্যু হোৱাৰ লগতে ৪৬ জন লোক আহত হয়।

ooooo

কেন্দ্ৰীয় বাণিজ্য মন্ত্ৰী পীয়ুষ গোয়েলে আজি ওমানৰ সৈতে থকা ভাৰতৰ মুক্ত বাণিজ্য চুক্তি (এফটিএ) সম্পূৰ্ণ হোৱাৰ দিশে আগবাঢ়িছে বুলি অৱগত কৰিছে। নতুন দিল্লীত অনুষ্ঠিত হোৱা এখন সংবাদ মেলত বাণিজ্য মন্ত্ৰীগৰাকীয়ে লগতে কয় যে আমেৰিকা আৰু ইউৰোপীয় ইউনিয়নৰ

সৈতে ভাৰতৰ মুক্ত বাণিজ্য চুক্তি ভালদৰে আগবাঢ়িছে আৰু নিউজিলেণ্ড, চিলি আৰু পেৰুৰ সৈতেও এই সন্দৰ্ভত আলোচনা চলি আছে। তেওঁ লগতে উল্লেখ কৰে যে এই বাণিজ্যিক চুক্তিবোৰে প্ৰযুক্তিগত অংশীদাৰিত্ব অন্বেষণ কৰা আৰু এছ. টি. ই. এম. ত ভাৰতৰ শক্তিক ব্যৱহাৰ কৰাৰ সম্ভাৱনা আছে। গোৱেলে কয় যে শেহতীয়া বছৰবোৰত উন্নত ৰাষ্ট্ৰসমূহৰ সৈতে সফল বাণিজ্যিক চুক্তিয়ে বিশ্ব পৰ্যায়ত ভাৰতৰ বৰ্ধিত প্ৰাসংগিকতা আৰু গুৰুত্ব প্ৰতিফলিত কৰিছে। ভাৰতৰ সামগ্ৰী আৰু সেৱাসমূহৰ উচ্চ মানদণ্ড আৰু ব্যয় প্ৰতিযোগিতামূলকতা আছে যিয়ে এই চুক্তিসমূহ সম্ভৱ কৰি তুলিছে বুলিও তেওঁ মন্তব্য কৰিছে। ব্ৰিটেইনৰ সৈতে এফটিএ সম্পৰ্কে আলোচনা কৰি শ্ৰী গোয়েলে উল্লেখ কৰে যে এই চুক্তিয়ে ভাৰতৰ বাবে অতি প্ৰতিযোগিতামূলক খণ্ড বিশেষকৈ বস্ত্ৰ আৰু চামৰা সামগ্ৰী উদ্যোগত সমান সুযোগ প্ৰদান কৰিব। দ্বিপাক্ষিক সমৰ্থন পোৱাৰ লগে লগেই ব্ৰিটেইনৰ সংসদত এই চুক্তিখন শীঘ্ৰেই গৃহীত হ'ব বুলি তেওঁ আস্থা প্ৰকাশ কৰিছে।

ooooo

উৎকৃষ্ট প্ৰদৰ্শনৰ বাবে আজি নতুন দিল্লীত ১৭ গৰাকী সাংসদক ২০২৫ চনৰ সংসদ ৰত্ন বঁটা প্ৰদান কৰা হৈছে। এই সাংসদসকলৰ ভিতৰত আছে ৰবি কিষণ, বিজেপিৰ দীনেশ শৰ্মা, কংগ্ৰেছৰ বৰ্ষা গাইকোৱাড, এন চি পি এছ পিৰ সুপ্ৰিয়া সুলে আৰু শিৱসেনা উই বি টিৰ অৰবিন্দ সাৱন্ত। এই অনুষ্ঠানত উপস্থিত থাকি কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কিৰেণ ৰিজিজুৱে কয়, যে এই বঁটা সাংসদসকলৰ উৎকৃষ্ট প্ৰদৰ্শনৰ স্বীকৃতি। তেওঁ লগতে বঁটা প্ৰাপ্ত সকলো সাংসদকে শুভেচ্ছা জনায়।

ooooo

পানাজিৰ ৰাজভৱনত অনুষ্ঠিত এক আনুষ্ঠানিক কাৰ্যসূচীত প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী তথা জ্যেষ্ঠ ৰাজনৈতিজ্ঞ শ্ৰী পুষ্পপতি অশোক জগপতি ৰাজুৱে আজি গোৱাৰ নতুন ৰাজ্যপাল হিচাপে শপতগ্ৰহণ কৰে। বম্বে উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ আলোক আৰাধে তেওঁক শপতবাক্য পাঠ কৰায়। শপতগ্ৰহণ অনুষ্ঠানটোত ৰাজভৱনৰ ঐতিহাসিক দৰবাৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। য'ত ৰাজ্যখনৰ শীৰ্ষ পদাধিকাৰী আৰু বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

ooooo

এণ্ডাৰ্ছন-তেণ্ডুলকাৰ ট্ৰফী টেষ্ট ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন খেলৰ আজি চতুৰ্থ দিনা ইংলেণ্ডে ৬৬৯ ৰানত প্ৰথম ইনিংছ সামৰে। প্ৰত্যুত্তৰত ভাৰতে আমালৈ বাতৰি অহাৰ পৰলৈ ২টা উইকেটৰ বিনিময়ত ৪৫ ৰান সংগ্ৰহ কৰিছে। ভাৰত ইংলেণ্ডতকৈ সামগ্ৰিকভাৱে এতিয়াও ২৮৯ ৰানত পিছপৰি আছে।

এই পাঁচখনীয়া খেলৰ টেষ্ট শৃংখলাত ইংলেণ্ড ১-২ ফলাফলত আগবাঢ়ি আছে।

ooooo

ঃঃ সমাপ্ত ঃঃ